**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 21-07-2024
**Time :** 0900 Hrs

***Assamese Morning Bulletin***

**:::::::::::::::::::::::::::::::::::::::**

## Headlines

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ আজি বিশ্ব ঐতিহ্য সমিতিৰ ৪৬ সংখ্যক অধিৱেশন মুকলি। অসমৰ চৰাইদেউ মৈদামক্ষেত্ৰক বিশ্ব ঐতিহ্যক্ষেত্ৰৰ তালিকাত স্থান প্ৰদানৰ বিষয়টিক লৈ আলোচনা হোৱাৰ সম্ভাৱনা।

২। সংসদৰ বাজেট অধিবেশনৰ পূৰ্বে চৰকাৰৰ আজি এখন সৰ্বদলীয় বৈঠকৰ আহ্বান।

৩। বাংলাদেশৰ হিংসাত্মক প্ৰতিবাদৰ বাবে অসমৰ অৰ্ধশতাধিক শিক্ষাৰ্থীসহ প্ৰায় এহেজাৰ ভাৰতীয় শিক্ষাৰ্থী স্বদেশত উপস্থিত।

৪। সমগ্ৰ শিক্ষা অভিযানৰ অধীনত কৰ্মৰত অৱস্থাত মৃত্যু হোৱা ঠিকাভিত্তিক শিক্ষক-কৰ্মচাৰীৰ পৰিয়ালক ৰাজ্য চৰকাৰৰ আৰ্থিক সাহায্য প্ৰদানৰ সিদ্ধান্ত।

*আৰু*

৫। মহিলাৰ এছিয়া কাপ টি-টুৱেণ্টি ক্ৰিকেট প্ৰতিযোগিতাৰ গ্ৰুপ-এৰ এখন গুৰুত্বপূৰ্ণ খেলত ভাৰত আজি ইউ এ ইৰ বিৰুদ্ধে অৱতীৰ্ণ।

০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি সন্ধিয়া ৭ বজাত নতুন দিল্লীৰ ভাৰত মণ্ডপমত বিশ্ব ঐতিহ্য সমিতিৰ ৪৬ সংখ্যক অধিৱেশন মুকলি কৰিব। অনুষ্ঠানত শ্ৰীমোদীয়ে ভাষণ প্ৰদান কৰিব। ভাৰতত প্ৰথমবাৰৰ বাবে আয়োজন কৰা বিশ্ব ঐতিহ্য সমিতিৰ এই অধিৱেশনখন ৩১ জুলাইত সামৰণি পৰিব। এই বাৰ্ষিক অধিৱেশনত বিশ্ব ঐতিহ্যৰ সৈতে জড়িত সকলো বিষয়ৰ আলোচনাৰ  লগতে বিশ্ব ঐতিহ্য ক্ষেত্ৰৰ তালিকাত অন্তৰ্ভুক্ত হ'বলগীয়া স্থানসমূহৰ বিষয়ে সিদ্ধান্ত গ্ৰহণ কৰা হ'ব। বৈঠকৰ সময়ছোৱাত বিশ্ব ঐতিহ্যৰ তালিকাত নতুন স্থান মনোনীত কৰাৰ বাবে প্ৰস্তাৱ গ্ৰহণ কৰা হ'ব। ইয়াৰ উপৰি অধিৱেশনত বৰ্তমানৰ ১২৪টা বিশ্ব ঐতিহ্য ক্ষেত্ৰ সম্পদ সংৰক্ষণৰ স্থিতিৰ প্ৰতিবেদন, আন্তঃৰাষ্ট্ৰীয় সাহায্য আৰু বিশ্ব ঐতিহ্য পুঁজিৰ ব্যৱহাৰ আদিৰ বিষয়েও আলোচনা কৰা হ'ব। অধিৱেশনত ১৫০ খন দেশৰ দুহেজাৰতকৈও অধিক আন্তঃৰাষ্ট্ৰীয় আৰু দেশীয় প্ৰতিনিধিয়ে অংশগ্ৰহণ কৰিব।

আনহাতে, নতুন দিল্লীৰ ভাৰত মণ্ডপমত আজিৰে পৰা ৩১ জুলাইলৈকে  হ'বলগীয়া ইউনেস্কোৰ বিশ্ব ঐতিহ্য সমিতিৰ ৪৬ সংখ্যক সভাত আন বিষয়সমূহৰ লগতে অসমৰ চৰাইদেউ মৈদামক্ষেত্ৰক  বিশ্ব ঐতিহ্যক্ষেত্ৰৰ তালিকাত স্থান প্ৰদানৰ বিষয়টিক লৈ আলোচনা হোৱাৰ সম্ভাৱনা আছে। সভাখনত ৰাজ্যৰ সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ মন্ত্ৰী বিমল বৰাইও অংশগ্ৰহণ কৰিব। উল্লেখযোগ্য যে যোৱা কেইবাবছৰ ধৰি ৰাজ্য চৰকাৰৰ লগতে কেন্দ্ৰীয় চৰকাৰেও বিশ্ব ঐতিহ্যক্ষেত্ৰৰ তালিকাত চৰাইদেউ মৈদামক্ষেত্ৰক অন্তৰ্ভুক্তিকৰণৰ  বিষয়টো ইউনেস্কোৰ সন্মুখত উত্থাপন কৰি আহিছে।

০০০০০০০

চৰকাৰে সংসদৰ বাজেট অধিবেশনৰ পূৰ্বে আজি এখন সৰ্বদলীয় বৈঠকৰ আহ্বান কৰিছে। বৈঠকত চৰকাৰে সংসদৰ উভয় সদনৰ কাম-কাজ সুচাৰুৰূপে আগবঢ়াই নিয়াৰ বাবে সকলো ধৰণৰ সহযোগিতা কামনা কৰিব। বাজেট অধিবেশন ২২ জুলাইৰ পৰা ১২ আগষ্টলৈ অনুষ্ঠিত হ'ব। কেন্দ্ৰীয় বাজেট ২৩ জুলাইত সদনত দাখিল কৰা হ'ব। এয়া হ'ব প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী চৰকাৰৰ তৃতীয় কাৰ্যকালৰ প্ৰথমখন বাজেট। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে যোৱা মাহত সংসদৰ উভয় সদনৰ যুটীয়া বৈঠকক সম্বোধন কৰি এইবাৰৰ বাজেট চৰকাৰৰ সুদূৰপ্ৰসাৰী নীতি আৰু ভৱিষ্যৎ পৰিকল্পনাৰ নথি হ'ব বুলি প্ৰকাশ কৰিছিল।

০০০০০০০

বাংলাদেশৰ হিংসাত্মক প্ৰতিবাদৰ বাবে প্ৰায় এহেজাৰ ভাৰতীয় শিক্ষাৰ্থী স্বদেশলৈ উভতি আহিছে। বিদেশ মন্ত্ৰালয়ে কৈছে যে, ৭৭৮ গৰাকী ভাৰতীয় বিদ্যাৰ্থীয়ে স্থলপথেৰে ভাৰতলৈ ঘূৰি আহিছে। ইয়াৰ উপৰি প্ৰায় ২০০ গৰাকী শিক্ষাৰ্থী ঢাকা আৰু চট্টগ্ৰাম বন্দৰৰ পৰা নিয়মীয়া বিমান সেৱাৰে স্বদেশলৈ ওভতি আহিছে। আনহাতে উভতি অহা শিক্ষাৰ্থীসকলৰ ভিতৰত অসমৰ শিক্ষাৰ্থীও আছে। এইসকলৰ ভিতৰত একাংশ শিক্ষাৰ্থী মেঘালয়ৰ ডাউকি-বাংলাদেশ সীমান্তৰে আৰু ৪১ জনীয়া এটা দল কৰিমগঞ্জ সুতাৰকান্দী আন্তঃৰাষ্ট্ৰীয় স্থল বন্দৰেৰে অসমলৈ উভতি আহিছে। মন্ত্ৰালয়ে কৈছে যে, ঢাকাত থকা ভাৰতীয় উচ্চায়োগ আৰু চট্টগ্ৰাম, ৰাজশ্বাহী, চিলেট আৰু খুলনাত থকা সহকাৰী উচ্চায়োগসমূহে ভাৰতীয় নাগৰিকসকলক স্বদেশলৈ উভতি অহাত সহায় কৰি আছে। স্থানীয় কৰ্তৃপক্ষৰ সহযোগত উচ্চায়োগ আৰু সহকাৰী উচ্চায়োগসমূহে ভাৰত-বাংলাদেশ আন্তঃৰাষ্ট্ৰীয় সীমান্তৰ বিভিন্ন প্ৰৱেশ পথেৰে নিৰাপদ যাত্ৰা সুগম কৰি তোলাৰ বাবে ব্যৱস্থা গ্ৰহণ কৰিছে বুলি বিদেশ মন্ত্ৰালয়ে জানিবলৈ দিছে। ইপিনে, ঢাকাৰ কেইবাখনো চিকিৎসা মহাবিদ্যালয়ত অধ্যয়নৰত প্ৰায় ৩০০ গৰাকী অসমৰ ছাত্ৰ-ছাত্ৰী আবদ্ধ হৈ আছে বুলি জানিব পৰা গৈছে।

০০০০০০০

কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালে ডিব্ৰুগড় চহৰৰ বান পৰিস্থিতিৰ বুজ লৈ অত্যাধুনিক প্ৰযুক্তিৰে কৃত্ৰিম বান সমাধানৰ আশ্বাস দিছে। নালিয়াপুলৰ ৩৭ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথত উপস্থিত হৈ তেওঁ বানৰ পৰা ৰাইজক সকাহ দিবলৈ সংশ্লিষ্ট বিষয়াসকলৰ তৎপৰতাৰে ব্যৱস্থা গ্ৰহণ কৰিবলৈ নিৰ্দেশ দিয়ে। তদুপৰি বেদখলকে ধৰি বিভিন্ন সমস্যা সমাধানৰ বাবে তেওঁ নাগৰিক সভাৰ পোষকতা কৰে। লগতে বিশেষজ্ঞসকলৰ মতামত, পৰামৰ্শ লৈ সমস্যাবোৰৰ স্থায়ী সমাধানৰ পথ প্ৰশস্ত কৰিবলৈ তেওঁ বিষয়াসকলক নিৰ্দেশ দিয়ে। গুৱাহাটী আই আই টিৰ বিশেষজ্ঞৰ দলে শীঘ্ৰে ডিব্ৰুগড়ৰ কৃত্ৰিম বানৰ কাৰকসমূহ অধ্যয়ন কৰি মাষ্টাৰ প্লেন প্ৰস্তুত কৰাৰ লগতে তাৰ আধাৰত চৰকাৰে যাৱতীয় ব্যৱস্থা গ্ৰহণ কৰিব বুলি উল্লেখ কৰে।

০০০০০০০

সমগ্ৰ শিক্ষা অভিযানৰ অধীনত কৰ্মৰত অৱস্থাত মৃত্যু হোৱা ঠিকাভিত্তিক শিক্ষক-কৰ্মচাৰীৰ পৰিয়ালক ৰাজ্য চৰকাৰে আৰ্থিক সাহায্য প্ৰদান কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰিছে। উল্লেখযোগ্য যে ৰাজ্য চৰকাৰৰ নিয়মীয়া কৰ্মচাৰী আৰু শিক্ষকসকলৰ মৃত্যু হ'লে পৰিয়ালে ৬০ বছৰলৈকে অৰ্থাৎ অৱসৰৰ সময়লৈকে সম্পূৰ্ণ দৰমহা লাভ কৰে যদিও ঠিকাভিত্তিক শিক্ষকসকলৰ এই সুবিধা নাছিল। ৰাজ্য চৰকাৰৰ এই ঘোষণা সমগ্ৰ শিক্ষা অভিযানৰ অধীনত কৰ্মৰত ঠিকাভিত্তিক শিক্ষাক-কৰ্মচাৰীৰ বাবে বৃহৎ সকাহ হ'ব বুলি আশা কৰা হৈছে।

০০০০০০০

সমগ্ৰ শিক্ষা অসমৰ কনফাৰেন্স কক্ষত কাইলৈ শিক্ষা সেঁতু এপ সন্দৰ্ভত এখন গুৰুত্বপূৰ্ণ বৈঠক অনুষ্ঠিত হ'ব। শিক্ষা সেঁতু এপৰ ওজৰ আপত্তি সন্দৰ্ভত আলোচনাৰ বাবে এই বৈঠকৰ আয়োজন কৰা হৈছে। সদৌ অসম মধ্য ইংৰাজী শিক্ষক সংস্থা, সদৌ অসম মজলীয়া বিদ্যালয় শিক্ষক সন্থা, অসম মাধ্যমিক শিক্ষক আৰু কৰ্মচাৰী সন্থাকে ধৰি ৮ টা শিক্ষক সংগঠনৰ প্ৰতিনিধিক এই বৈঠকলৈ আমন্ত্ৰণ জনোৱা হৈছে।

উল্লেখযোগ্য যে, ৰাজ্য চৰকাৰৰ শিক্ষা বিভাগে শিক্ষা সেঁতু এপ সন্দৰ্ভত বিভিন্ন পক্ষৰ পৰা লাভ কৰা অভিযোগৰ পৰিপ্ৰেক্ষিতত এখন তিনিজনীয়া সমিতি গঠন কৰি দিছে। শিক্ষা সেঁতু এপৰ চফটৱেৰ, হাৰ্ডৱেৰ আৰু ইণ্টাৰনেট সংযোগ আদি বিষয়ত অভিযোগ বা পৰামৰ্শ গ্ৰহণ কৰা, সংশ্লিষ্ট পক্ষসমূহৰ শুনানি অনুষ্ঠিত কৰা, এপৰ কাৰ্যক্ষমতা পৰীক্ষা কৰা তথা প্ৰয়োজন অনুসৰি এপৰ উন্নীতকৰণৰ পৰামৰ্শ দিয়াৰ বাবে এই সমিতি গঠন কৰা হৈছিল। শিক্ষা সেঁতু এপ ব্যৱহাৰকাৰীসকল অৰ্থাৎ শিক্ষক সংগঠন, শিক্ষক কৰ্মচাৰী আৰু সমগ্ৰ শিক্ষা অসমৰ sikshasetu.assam.gov.in যোগে অহা ৭ আগষ্টলৈ তেওঁলোকৰ অভিযোগ-পৰামৰ্শ দাখিল কৰিব পাৰিব।

0000000

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ২৮ জুলাইত আকাশবাণীযোগে প্ৰচাৰ হ'বলগীয়া মন কী বাতৰ পৰবৰ্তী খণ্ডৰ বাবে জনসাধাৰণৰ পৰা ভালেসংখ্যক পৰামৰ্শ লাভ কৰাক লৈ সন্তুষ্টি প্ৰকাশ কৰিছে। শ্ৰীমোদীয়ে সামাজিক মাধ্যমযোগে কৈছে যে, তেওঁ মন কী বাত অনুষ্ঠানৰ আসন্ন খণ্ডৰ বাবে যথেষ্ট পৰামৰ্শ লাভ কৰিছে। প্ৰধানমন্ত্ৰীয়ে কৈছে যে, সমাজৰ সংস্কাৰৰ লক্ষ্যৰে ভালেসংখ্যক যুৱক-যুৱতীয়ে সমূহীয়া প্ৰচেষ্টাত আলোকপাত কৰা দেখা পাই তেওঁ সুখী হৈছে। শ্ৰীমোদীয়ে জনসাধাৰণক মাই গভ্, নমো এপযোগে দিহা পৰামৰ্শ আগবঢ়াবলৈ আহ্বান জনাইছে। তেওঁ লগতে ১৮০০১১৭৮০০ নম্বৰত ফোন কৰি বাৰ্তা বাণীবদ্ধ কৰিবলৈও জনসাধাৰণৰ প্ৰতি আহ্বান জনাইছে।

0000000

নিটি আয়োগৰ বিশেষ কাৰ্যসূচী **সম্পূৰ্ণতা অভিযান**ৰ অধীনত অসমৰ কেইবাখনো জিলাত কাৰ্যসূচী অব্যাহত আছে। এই উপলক্ষে কালি ধুবুৰী জিলাৰ বীৰসিং জৰোৱা উন্নয়ন খণ্ডৰ অধীনত বীৰসিং গাঁও পঞ্চায়তৰ কাৰ্যালয়ত স্বাস্থ্য আৰু কৃষি বিভাগে বিভিন্ন সজাগতামূলক কাৰ্যসূচী গ্ৰহণ কৰে। সম্পূৰ্ণতা অভিযানৰ কাৰ্যসূচীৰ অধীনত স্বাস্থ্য বিভাগে গ্ৰহণ কৰা সজাগতামূলক অনুষ্ঠানত ৰাইজৰ স্বাস্থ্য পৰীক্ষা কৰাৰ লগতে মহিলা আৰু শিশুক উন্নত চিকিৎসা প্ৰদানৰ ব্যৱস্থা তথা পুষ্টিকৰ খাদ্য যোগানৰ ওপৰত গুৰুত্ব আৰোপ কৰা হয়। কৃষি বিভাগে গ্ৰহণ কৰা কাৰ্যসূচীত মাটিৰ গুণাগুণ পৰীক্ষাকৰণ, ফলমূলৰ খেতি, ৰেচম পালন ইত্যাদি বিভিন্ন স্বাৱলম্বনৰ আধাৰ বিষয়ত সজাগতামূলক কাৰ্যসূচী গ্ৰহণ কৰা হয়। সম্পূৰ্ণতা অভিযানৰ কাৰ্যসূচীত ধুবুৰী জিলাৰ অতিৰিক্ত আয়ুক্ত, বীৰসিং স্বাস্থ কেন্দ্ৰৰ চিকিৎসক, ধুবুৰী জিলা কৃষি বিভাগৰ সহকাৰী উন্নয়ন বিষয়াকে ধৰি বিভিন্ন বিভাগৰ বিষয়া কৰ্মচাৰীসকল উপস্থিত থাকে।

0000000

ৰাজ্য চৰকাৰৰ তৃতীয় আৰু চতুৰ্থবৰ্গৰ ১৪ হাজাৰ খালী পদৰ বিপৰীতে নিযুক্তি আয়োগে ৩২ লাখতকৈ অধিক আবেদন লাভ কৰিছে। নিযুক্তি পৰীক্ষা পৰিচালনাৰ দায়িত্ব লাভ কৰা ছেবাই প্ৰকাশ কৰা তথ্য অনুসৰি ১৫ ছেপ্তেম্বৰত অনুষ্ঠিত হ'বলগীয়া তৃতীয়বৰ্গৰ পদৰ বিপৰীতে ১১ লাখ ২৩ হাজাৰতকৈ অধিক প্ৰাৰ্থীয়ে আবেদন কৰিছে। একেদৰে ২৯ ছেপ্তেম্বৰৰ আগবেলা হ'বলগীয়া স্নাতক পৰ্যায়ৰ পদৰ বাবে পাঁচ লাখ ২৯

হাজাৰতকৈ অধিক প্ৰাৰ্থীয়ে আবেদন কৰিছে। একেটা দিনতে আবেলি হ'বলগীয়া চালক পদৰ বাবে দুই লাখ চাৰি হাজাৰতকৈ অধিক প্ৰাৰ্থীয়ে আবেদন কৰিছে। ২৭ অক্টোবৰ আগবেলা হ'বলগীয়া দশম শ্ৰেণী উত্তীৰ্ণ পৰ্যায়ৰ খালী পদৰ বাবে সৰ্বাধিক ৮ লাখ ২৭ হাজাৰতকৈ অধিক প্ৰাৰ্থী আৰু অষ্টম শ্ৰেণী উত্তীৰ্ণ পৰ্যায়ৰ চতুৰ্থবৰ্গৰ পদৰ বিপৰীতে পাঁচ লাখ ৫২ হাজাৰতকৈ অধিক প্ৰাৰ্থীয়ে আবেদন জাইছে। পৰীক্ষা পৰিচালনাৰ বাবে জিলা আয়ুক্তসকলক ছেৱাই পৰীক্ষা কেন্দ্ৰৰ সুব্যৱস্থা কৰিবলৈ নিৰ্দেশ দিছে। সেই অনুসৰি প্ৰতিটো পৰীক্ষাকেন্দ্ৰত ২৫০ জন প্ৰাৰ্থী অৱতীৰ্ণ হ'ব পাৰিব।

0000000

সমাগত স্বাধীনতা দিৱস পালনৰ উদ্দেশ্যে লখিমপুৰ জিলা আয়ুক্ত কাৰ্যালয়ৰ সভাকক্ষত জিলা আয়ুক্তৰ সভাপতিত্বত কালি এখন গুৰুত্বপূৰ্ণ বৈঠক অনুষ্ঠিত হয়। জিলাখনৰ বিভিন্ন বিভাগৰ মুৰব্বী বিষয়াসকলৰ উপৰি আৰক্ষী প্ৰশাসন, সামৰিক আৰু অৰ্ধ সামৰিক বাহিনী আৰু নাগৰিক সমাজৰ প্ৰতিনিধিসকলৰ উপস্থিতিত আয়োজিত এই সভাত স্বাধীনতা দিৱস উদযাপন সম্পৰ্কে বিশদভাৱে আলোচনা কৰা হয়। সভাত আয়ুক্তগৰাকীয়ে নিৰ্ধাৰিত সময়ৰ পূৰ্বে নিজ নিজ দায়িত্বসমূহ নিষ্ঠাৰে পালন কৰিবলৈ আহ্বান জনায়। দিৱসৰ লগত সংগতি ৰাখি অনুষ্ঠিত কৰিবলগীয়া বিভিন্ন প্ৰতিযোগিতাসমূহৰ বিষয়ওে জিলা আয়ুক্তগৰাকীয়ে সদৰী কৰে। ইয়াৰ উপৰি কুচ-কাৱাজত অংশগ্ৰহণ কৰিবলগীয়া দলসমূহক লঘু আহাৰ প্ৰদান কৰিবলৈও সংশ্লিষ্ট বিভাগসমূহক আহ্বান জনায়।

0000000

অসমীয়া ভাষা সাহিত্যৰ প্ৰথিত যশা সাহিত্যিক, অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি প্ৰয়াত ডঃ লক্ষ্মীনন্দন বৰাৰ তৃতীয় স্মাৰক বক্তৃতা অনুষ্ঠান কালি মৰিগাঁও জিলাৰ জাগীৰোড মহাবিদ্যালয়ত অনুষ্ঠিত হয়। ডঃ লক্ষ্মীনন্দন বৰা স্মাৰক ন্যাসৰ উদ্যোগত আৰু অসমীয়া নতুন সংবাদ গোষ্ঠীৰ সহযোগত অনুষ্ঠিত বক্তৃতা অনুষ্ঠানৰ অসম সৌৰভ বঁটা প্ৰাপক নাদিৰাম দেউৰীয়ে বন্তি প্ৰজ্বলন কৰে। অনুষ্ঠানত মূল ভাষণ প্ৰদান কৰি শংকৰী সাহিত্যৰ বিশিষ্ট গৱেষক ডঃ সঞ্জীৱ কুমাৰ বৰকাকটীয়ে ডঃ বৰাৰ সাহিত্য কৃতীৰ বিভিন্ন দিশ সম্পৰ্কে ব্যাখ্যা কৰে। সভাত সাহিত্যিকগৰাকীৰ পুত্ৰ ডঃ স্বৰূপ নন্দন বৰাই প্ৰয়াত পিতৃৰ নামত উৎসৰ্গিত ন্যাসৰ কাৰ্যাৱলী ব্যাখ্যা কৰি প্ৰতি বছৰে কটন বিশ্ববিদ্যালয়ৰ শ্ৰেষ্ঠ স্নাতক আৰু স্নাতকোত্তৰ দুজন ছাত্ৰ-ছাত্ৰীক ডঃ লক্ষ্মীনন্দন বৰা পাৰদৰ্শিতা বঁটা দিয়াৰ কথা অৱগত কৰে। অনুষ্ঠানত এই বছৰ কটন বিশ্ববিদ্যালয়ৰ অসমীয়া ভাষাৰ শ্ৰেষ্ঠ স্নাতকোত্তৰ দ্বীপশিখা ডেকা আৰু শ্ৰেষ্ঠ স্নাতক অপূৰ্ব নাথক এই বঁটা প্ৰদান কৰা হয়।

0000000

ভাৰত আজি শ্ৰীলংকাৰ ৰণগিৰি ডাম্বুলা আন্তঃৰাষ্ট্ৰীয় ক্ৰিকেট ষ্টেডিয়ামত হ'বলগীয়া মহিলাৰ এছিয়া কাপ টি-টুৱেণ্টি ক্ৰিকেট প্ৰতিযোগিতাৰ গ্ৰুপ-এৰ এখন গুৰুত্বপূৰ্ণ খেলত সংযুক্ত আৰৱ আমিৰি ৰাষ্ট্ৰ ইউ এ ইৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন ভাৰতীয় সময় অনুসৰি দিনৰ ২ বজাত আৰম্ভ হ'ব। ভাৰত খেলখনত জয়ী হ'লে ছেমি ফাইনেলত প্ৰৱেশ কৰিব।

আয়োজক দেশ শ্ৰীলংকাই কালি ৰিশমী গুণৰত্নেৰ অৰ্ধ শতকৰ সহায়ত বাংলাদেশক ৭ উইকেটত পৰাস্ত কৰে। শ্ৰীলংকাই ১১২ ৰানৰ বিজয় লক্ষ্যৰে খেল আৰম্ভ কৰি ১৭ অভাৰ আৰু এটা বলত তিনিটা উইকেট হেৰুৱাই নিৰ্ধাৰিত লক্ষ্য অতিক্ৰম কৰে। বাংলাদেশৰ হৈ নাহিদা আখটাৰে তিনিটা উইকেট দখল কৰে। ইয়াৰ পূৰ্বে বাংলাদেশে টছত জিকি প্ৰথমে বেট ধৰাৰ সিদ্ধান্ত লৈ নিৰ্ধাৰিত ২০ অভাৰত আঠটা উইকেটৰ বিনিময়ত ১১১ ৰান কৰে। বাংলাদেশৰ  অধিনায়ক নিগাৰ ছুলতানাই ৫৯টা বলত ৪৮ ৰান কৰে। শ্ৰীলংকাৰ হৈ উদেশিকা

প্ৰবোধনী আৰু ইনছি প্ৰিয়দৰ্শনীয়ে দুটাকৈ উইকেট লাভ কৰে। শ্ৰীলংকাৰ ৰিশমী গুণৰত্নেক প্লেয়াৰ অব্ দ্যা মেছ্ হিচাপে ঘোষণা কৰা হয়।

০০০০০০০

Newspaper Review/RNU (21-07-2024 Morn.) 319

বাংলাদেশত সংৰক্ষণ বিৰোধী প্ৰতিবাদৰ অৰণীয় পৰিস্থিতি, ইউ পি এছ্ চিৰ অধ্যক্ষৰ পদত্যাগ, ৰাজ্যত জাপানীজ এনছেফেলাইটিছত আক্ৰান্ত লোকৰ সংখ্যা ক্ৰমাৎ বৃদ্ধি আদি বিভিন্ন বাতৰিয়ে আজি গুৱাহাটীৰ পৰা প্ৰকাশিত প্ৰধান বাতৰি কাকতসমূহৰ প্ৰথম পৃষ্ঠাত স্থান লাভ কৰা দেখা গৈছে। বাংলাদেশত সংৰক্ষণ বিৰোধী আন্দোলনত বিগত সপ্তাহটোত ১১৫ গৰাকী প্ৰতিবাদকাৰী নিহত, ১৫০০তকৈ অধিক প্ৰতিবাদকাৰী আহত হৈছে। প্ৰাণৰ মমতাত ভাৰতৰ সহস্ৰাধিক শিক্ষাৰ্থীয়ে বাংলাদেশ এৰিছে। এই বাতৰিটো আজি গুৱাহাটীৰ পৰা প্ৰকাশিত প্ৰায় কেইখন বাতৰি কাকতে প্ৰথম পৃষ্ঠাত মুখ্য বাতৰিৰ স্থান দিছে। **দৈনিক জনমভূমি** কাকতৰ বাতৰিটোৰ শিৰোনাম **সান্ধ্য আইন জাৰি, সেনা মোতায়েন, প্ৰতিবাদৰ জুইত দগ্ধ বাংলাদেশ**, **আমাৰ অসম** কাকতে **বাংলাদেশত মৃত্যু মিছিল** শিৰোনামেৰে বাতৰিটো ফটোসহ প্ৰথম পৃষ্ঠাত মুখ্য বাতৰি হিচাপে প্ৰকাশ কৰিছে। এই বাতৰিটো **দৈনিক অগ্ৰদূত** আৰু **নিয়মীয়া বাৰ্তা** কাকত দুখনেও প্ৰথম পৃষ্ঠাৰ মুখ্য বাতৰি হিচাপে প্ৰকাশ কৰিছে। **দৈনিক অসম** কাকতে এই বাতৰিটোৰ সমান্তৰালকৈ ৰাজ্যত বিদ্যুতৰ তীব্ৰ নাটনিৰ সন্দৰ্ভত প্ৰস্তুত কৰা এটা বিতং বাতৰি প্ৰথম পৃষ্ঠাৰ মুখ্য বাতৰি হিচাপে প্ৰকাশ কৰিছে। বাতৰিটোৰ শিৰোনাম **নাই প্ৰয়েজনীয় ভল্টেজ্ট, নুঘূৰে ফেন, মাছুল বঢ়োৱাতে দায়িত্ব শেষ এ পি ডি চি এলৰ ঃ বিদ্যুতৰ লুকাভাকুত কাহিল জনজীৱন**। **অসমীয়া প্ৰতিদিন** কাকতে নীট-ইউ জি পৰীক্ষাৰ ফলাফলৰ বিসংগতিক লৈ প্ৰস্তুত কৰা এটা বাতৰি **নীটৰ নতুন ফলাফলত বিস্ফোৰক তথ্য পোহৰলৈ ঃ ফাদিল হ'ল গুৰুতৰ বিসংগতি** শিৰোনামেৰে প্ৰথম পৃষ্ঠাত মুখ্য বাতৰি হিচাপে প্ৰকাশ কৰিছে। কাইলৈৰ পৰা সংসদৰ বৰ্ষাকালীন অধিৱেশন আৰম্ভ হ'ব। এই সন্দৰ্ভত **দি আছাম ট্ৰিবিউন** কাকতে প্ৰস্তুত কৰা এটা বাতৰি Parliament monsoon session from tomorrow : Sitharaman to present union Budget on July 23 শিৰোনামেৰে প্ৰথম পৃষ্ঠাত মুখ্য বাতৰিৰ স্থান দিছে। **দ্যা চেণ্টিনেল** কাকতে ৰাজ্যৰ বানৰ পিছত উদ্ভৱ হোৱা অৰণীয় পৰিস্থিতি সন্দৰ্ভত এটা বিতং বাতৰি প্ৰথম পৃষ্ঠাত মুখ্য বাতৰি হিচাপে প্ৰকাশ কৰিছে। বাতৰিটোৰ শিৰোনাম Flood recede but thousands of people still unable to return home।

আজি প্ৰকাশিত অন্যান্য বাতৰিৰ ভিতৰত আছে – বিজেপি ত্যাগ কৰিব প্ৰাক্তন বিধায়ক অশোক শৰ্মাই, এক্স হেণ্ডলত বিশ্বৰ সৰ্বাধিক জনপ্ৰিয় ৰাজনীতিক নৰেন্দ্ৰ মোদী, কৰ্মৰত অৱস্থাত মৃত্যু হ'লে শিক্ষা বিভাগৰ ঠিকাভিত্তিক কৰ্মচাৰীৰ পৰিয়ালে পাব আৰ্থিক সাহায্য, আদালতত কন্যা শিশুৱে বৰ্ণনা দিলে সংগীতা-ৱালিউলৰ বিকৃত কাণ্ডৰ ইত্যাদি।

এয়াই আছিল আজি গুৱাহাটীৰ পৰা প্ৰকাশিত বাতৰি কাকতসমূহৰ প্ৰথম পৃষ্ঠাৰ বাতৰিত চমু অৱলোকন।

০০০০০০০

**সমাপ্ত**